# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৭৪/২০২০

## ক'ভিড-১৯ প্ৰতিহত কৰাৰ বাবে বাক্সা আৰু নলবাৰী জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**ভাৰত-ভূটান সীমান্তৰে চলাচল সম্পূৰ্ণৰূপে বন্ধ কৰাৰ দিশত পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**১৪ এপ্ৰিলৰ বিহুৰ সন্ধিয়া ৬ বজাত অসমৰ প্ৰতিটো পৰিয়ালক এগছিকৈ বন্তি প্ৰজ্বলন কৰি নেদেখাজনক প্ৰাৰ্থনা কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান**

**দিছপুৰ, ১৩ এপ্ৰিলঃ** ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপ আৰু অধিক শক্তিশালী কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বাক্সা জিলা প্ৰশাসনক জিলাখনত থকা ভাৰত-ভূটান সীমান্তৰে কৰা চলাচল বন্ধ কৰাৰ বাবে ফলপ্ৰসূ ব্যৱস্থা লোৱাৰ বাবে নিৰ্দেশ দিয়ে। আজি ক'ভিড-১৯ৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে বাক্সা জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

বাক্সা জিলাৰ সদৰ মুছলপুৰস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই ৰোগৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে জিলা প্ৰশাসনে স্বাস্থ্যসন্মত বিধি ব্যৱস্থাৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান সুনিশ্চিত কৰা আৰু লক্-ডাউনৰ কাৰ্যসূচী সফল কৰাৰ ওপৰত সৰ্বাত্মক গুৰুত্ব আৰোপ কৰিব লাগিব যাতে এই সংক্ৰমণৰ শৃংখল ৰোধ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ সাম্প্ৰতিক পৰিস্থিতি ভালদৰে নিৰীক্ষণ আৰু পৰ্যালোচনা কৰাৰ বাবে জিলা পৰ্যায়ৰ টাস্ক ফ'ৰ্চৰ বৈঠক নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ বাবেও জিলা উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে।

উল্লেখ্য যে জিলাখনত এতিয়ালৈকে ক'ভিড-১৯ৰ সংক্ৰমণৰ কোনো ঘটনা ধৰা পৰা নাই আৰু এই ভাইৰাছ সংক্ৰমণৰ প্ৰতিৰোধকল্পে জিলা প্ৰশাসনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আছে। জিলাখনত সৰ্বমুঠ ১৩ টা কুৱাৰেনটাইন চেণ্টাৰ স্থাপন কৰাৰ উপৰি ৪ টা আছুতীয়া কক্ষ স্থাপন কৰা হৈছে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্ত আৰু স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকক চিকিৎসককে ধৰি অন্যান্য ফ্ৰন্ট লাইনৰ বিষয়া আৰু কৰ্মচাৰীসকলক উপযুক্ত সা-সুবিধা প্ৰদানৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আৰক্ষী অধীক্ষকগৰাকীকো আৰক্ষী বাহিনীৰ লোকসকলক ক'ভিড-১৯ সংক্ৰমণৰ সন্দেহজনক ঘটনা মোকাবিলা কৰাৰ দিশত ভালদৰে প্ৰশিক্ষিত কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে লক্-ডাউনৰ সময়ছোৱাত জিলাখনত যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ সৰবৰাহ অব্যাহত থাকে তাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণৰো নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে এপিডিচিএলক অবিৰত বিদ্যুৎ যোগান নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। জনস্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা ক'ভিড-১৯ৰ সংক্ৰমণৰ দৰে এই জটিল সময়ত জিলাখনত থকা বিষয়া-কৰ্মচাৰীসকলক 'টীম অসম'ৰ মানসিকতাৰে উদ্বুদ্ধ হৈ কাম কৰাৰ পদক্ষেপ ল'বলৈও জিলা উপায়ুক্তগৰাকীক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আজিৰ এই পৰ্যালোচনামূলক বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰী, ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, বিধায়কসকল ক্ৰমে থানেশ্বৰ বসুমতাৰী, ইমানুৱেল মুছাহাৰী, বিমল বৰা, বিটিচিৰ প্ৰধান সচিব জলী দাস ব্ৰহ্ম, বাক্সা জিলাৰ উপায়ুক্ত ৰঞ্জন শৰ্মা, আৰক্ষীৰ উপ-মহাপৰিদৰ্শক অনুৰাগ আগৰৱালাৰ লগতে জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে মুছলপুৰৰ বাথৌপুৰীস্থিত জিলা ক্ৰীড়া চৌহদত স্থাপন কৰা ক'ভিড-১৯ৰ কুৱাৰেনটাইন চেণ্টাৰো পৰিদৰ্শন কৰে।

পৰ্যালোচনামূলক বৈঠকৰ পিছত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কৰ'না ভাইৰাছ প্ৰতিহত কৰাৰ দিশত সাংবাদিকসকলে গ্ৰহণ কৰা জনসচেতনতামূলক পদক্ষেপৰ শলাগ লোৱাৰ উপৰি অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু উপলক্ষে সাংবাদিকসকলক ওলগ আৰু শুভেচ্ছা জনায়।

মুখ্যমন্ত্ৰীয়ে লগতে অহা ১৪ এপ্ৰিলৰ সন্ধিয়া ৬ বজাত বিহু পালনৰ অংশ হিচাপে অসমৰ প্ৰতিটো পৰিয়ালকে এগছিকৈ বন্তি প্ৰজ্বলন কৰি নেদেখাজনক এই জটিল পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পোৱাৰ কামনাৰে প্ৰাৰ্থনা জনাবলৈও আহ্বান জনায়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নলবাৰী জিলা উপায়ুক্তৰ সভাকক্ষত অনুষ্ঠিত এক পৰ্যালোচনামূলক বৈঠকত নলবাৰী জিলা প্ৰশাসনে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে লোৱা পদক্ষেপসমূহৰ পৰ্যালোচনা কৰে। এই বৈঠকত ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, সাংসদ দিলীপ শইকীয়া, বিধায়ক অশোক শৰ্মা, বিমল বৰা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, জিলা উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰী, আৰক্ষী অধীক্ষক অমনজিৎ কৌৰ প্ৰমুখ্যে জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৩/৪/২০২০**